# WORKSHOP ON INDIAN KNOWLEDGE SYSTEM AT SARAIGHAT COLLEGE

## শৰাইঘাট মহাবিদ্যালয়ত ভাৰতীয় জ্ঞান ব্যৱস্থাৰ কৰ্মশালা



**মহানগৰ ব্যুৰ'**, ২৩ অক্টোবৰ ঃ চাংসাৰিস্থিত শৰাইঘাট মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান নিৰূপণ কোষে 'ভাৰতীয় জ্ঞান ব্যৱস্থা'ৰ ওপৰত আজি এখন কৰ্মশালা অনুষ্ঠিত কৰে। কৰ্মশালাৰ আৰম্ভণিতে শৰাইঘাট মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক ড° জিতুল আলীয়ে আটাইকে শুভেচ্ছা জ্ঞাপন কৰি সভা আৰম্ভ কৰে। অধ্যক্ষ ড° মণি শৰ্মাই সকলোকে উদ্দেশ্যি আদৰণীমূলক ভাষণ প্ৰদান কৰে। কৰ্মশালাখনত সমল ব্যক্তি হিচাপে গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপিকা আৰু আনন্দৰাম বৰুৱা ভাষা, সাহিত্য, কলা -সংস্কৃতি পৰিষদৰ সঞ্চালক ড° সুদেষ্ণা ভট্টাচাৰ্য উপস্থিত থাকে। ভাষণত তেখেতে ভাৰতীয় জ্ঞান, পৰম্পৰা মানে কেৱল বেদৰ কথাই নহয় বুলি উল্লেখ কৰি ই বহল অৰ্থত এক বহনক্ষম উন্নয়ন বুলি সদৰী কৰি বৰ্তমান সময়ৰ 'জাতীয় শিক্ষা নীতি'ৰ ভেটিটো যে প্ৰকৃততে ভাৰতীয় জ্ঞান পৰম্পৰাৰ ওপৰতে ভিত্তি কৰি গঢ়ি উঠিছে সেই সন্দৰ্ভত আলোকপাত কৰে। সভাৰ শেষত অসমীয়া বিভাগৰ অধ্যাপক ড° ধনেশ্বৰ কলিতাই সভাত শৰাইঘাট মহাবিদ্যালয়ৰ অধ্যাপক - অধ্যাপিকা, মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° জ্ঞানদা নাথৰ লগতে নিকটৱৰ্তী কেইবাখনো মহাবিদ্যালয়ৰ পৰা উপস্থিত থকা সকলোকে শলাগ জ্ঞাপন কৰে।